জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫/২০২০

# বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা সমাজকৰ্মী শশী শৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা সমাজকৰ্মী শশী শৰ্মাৰ পৰলোকপ্ৰাপ্তিত মই গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত শশী শৰ্মাই ৰাজ্যখনৰ সাহিত্য, শৈক্ষিক, সামাজিক, বৌদ্ধিক উত্তৰণৰ দিশত যি বিশিষ্ট অৱদান আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে সুখ্যাতিৰে যি সেৱা আগবঢ়াই গৈছে সেয়া সমগ্ৰ নলবাৰী জিলাৰ জনসাধাৰণে কৃতজ্ঞতাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰয়াত শশী শৰ্মাই চিন্তাশীল লেখনি আৰু বিভিন্ন গ্ৰন্থ সম্ভাৰেৰে অসমীয়া সাহিত্য জগতলৈও বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। এই গৰাকী বিশিষ্ট সাহিত্যিক আৰু শিক্ষাবিদৰ বিয়োগ ৰাজ্যখনৰ সাহিত্য তথা শিক্ষা জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত শশী শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক শশী শৰ্মাৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় নিৰ্দেশ ইতিমধ্যে মুখ্যমন্ত্ৰী সোণোৱালে প্ৰদান কৰিছে। আজি ৰাজ্য চৰকাৰৰ হৈ নলবাৰী শ্বহীদ ভৱন চৌহদত নলবাৰী সমষ্টিৰ বিধায়ক অশোক শৰ্মা, উপায়ুক্ত ভাৰত ভূষণদেৱ চৌধুৰী আৰু আৰক্ষী অধীক্ষক অমনজিৎ কৌৰে নলবাৰী শ্বহীদ ভৱন চৌহদত প্ৰয়াত শশী শৰ্মাৰ নশ্বৰ দেহত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক শশী শৰ্মাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক গৰাকীৰ বিয়োগ ৰাজ্যখনৰ শৈক্ষিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত শশী শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ / পুঃডেঃ
২৯/০১/২০২০